**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-SEP-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

২০২৭ চনৰ ভিতৰত ব্ৰহ্মপুত্ৰত দুখন প্ৰমোদতৰী চলাচল কৰোৱা হ'ব। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অহা ২৭ অক্টোবৰৰ পৰা ৩১ অক্টোবৰলৈ মুম্বাইত হ'বলগীয়া ভাৰতীয় সামুদ্ৰিক সপ্তাহ, ২০২৫-ৰ সৈতে সংগতি ৰাখি কালি গুৱাহাটীত আয়োজিত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰাৰ পাছত এই কথা প্ৰকাশ কৰে। ২৫০ কোটি টকা ব্যয়সাপেক্ষে কোলকাতাত জাহাজ দুখন নিৰ্মাণ কৰি থকা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। ইয়াৰ লগতে বৰাক আৰু ব্ৰহ্মপুত্ৰৰত প্ৰায় ১০০ খন মালবাহী জাহাজ চলাচল কৰোৱা হ'ব। মন্ত্ৰীগৰাকীয়ে কয় যে জাৰ্মানীৰ আগশাৰীৰ পৰিবহন কোম্পানী ৰেনাছ লজিষ্টিক প্ৰাইভেট লিমিটেডে বৰাক-ব্ৰহ্মপুত্ৰ আৰু গংগাক লৈ অধ্যয়ন সম্পূৰ্ণ কৰিছে। এই অধ্যয়নত বৰাক, ব্ৰহ্মপুত্ৰ আৰু গংগাত মালবাহী জাহাজ চলাচলৰ সুবিধা আছে বুলি প্ৰকাশ কৰা হয়। ইয়াৰ পৰিপ্ৰেক্ষিতত এই বছৰৰ পৰাই তিনিওখন নদীত মালবাহী জাহাজ চলাচলৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ আভ্যন্তৰীণ জল পৰিবহণ আন্তঃগাঁথনিত বিগত দুবছৰত এহেজাৰ কোটিৰো অধিক ধন বিনিয়োগ কৰা হৈছে। তেওঁ সকলো অংশীদাৰকে ভাৰতীয় সামুদ্ৰিক সপ্তাহৰ কাৰ্যসূচীলৈ আদৰণি জনোৱাৰ লগতে দেশৰ সৰ্ববৃহৎ সামুদ্ৰিক কাৰ্যসূচীৰ অংশ হ'বলৈ আহ্বান জনায়। এই কাৰ্যসূচীত কমেও এশ খন দেশৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব বুলি মন্ত্ৰীগৰাকীয়ে কয়। এই অনুষ্ঠানৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলৰ জলপথ ব্যৱহাৰ পৰ্যটন খণ্ডৰ প্ৰসাৰৰ দিহা কৰা হ'ব। ইয়াৰ জৰিয়তে অসম তথা উত্তৰ-পূৰ্বাঞ্চলক দেশৰ জল পৰিবহণ খণ্ডৰ বিকাশৰ অংশীদাৰ কৰি তোলাৰ লক্ষ্য লোৱা হৈছে বুলি তেওঁ কয়। শ্ৰীসোণোৱালে কয় যে অসমত গুৱাহাটীৰ পৰা ডিব্ৰুগড়লৈ ১৪ খন প্ৰমোদতৰী চলাচল কৰি আছে।

০০০০০০

অৰ্জুন বঁটাৰে সন্মানিত ভোগেশ্বৰ বৰুৱাৰ জন্মদিন উপলক্ষে ৰাজ্য চৰকাৰে আজি ৰাজ্যিক ক্ৰীড়া দিৱস উদযাপন কৰিছে। ১৯৬৬ চনৰ এছিয়ান গেম্ছত স্বৰ্ণ পদক অৰ্জনেৰে ইতিহাস ৰচা প্ৰসিদ্ধ ক্ৰীড়াবিদগৰাকীৰ জন্মদিনৰ সৈতে সংগতি ৰাখি আজি গুৱাহাটীত বিয়লি বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত সৰুসজাই ক্ৰীড়া প্ৰকল্পক অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্প হিচাপে নামকৰণ কৰা হ'ব। এই অনুষ্ঠানতে ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াৰ পদক বিজয়ী অসমৰ খেলুৱৈসকলক নিযুক্তি পত্ৰ আৰু আৰ্থিক পুৰস্কাৰ প্ৰদান কৰা হ'ব। তদুপৰি ২০২৪-২৫ বৰ্ষৰ ৰাজ্যিক ক্ৰীড়া বঁটা প্ৰদান কৰা হ'ব। অনুষ্ঠানত ২০২৫-২৬ বৰ্ষৰ ৰাজ্যিক ক্ৰীড়া বঁটা ঘোষণা আৰু ক্ৰীড়া পেঞ্চন প্ৰদান কৰা হ'ব। খেল' ইণ্ডিয়া, ২০২৫ বৰ্ষৰ পদক বিজয়ীসকলক আৰ্থিক পুৰস্কাৰ আৰু ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ কেডেটসকলক বীৰ চিলাৰায় বঁটাও প্ৰদান কৰা হ'ব। ৰাজ্যিক সেৰা আঁচনিৰ বঁটাসমূহো এই অনুষ্ঠানতে বিতৰণ কৰা হ'ব। ১৭ বছৰ অনুৰ্ধ ছোৱালীৰ সুব্ৰত কাপ আন্তঃৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ বিজয়ী দলক সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে খেল মহাৰণ বিষয়ক গ্ৰন্থ উন্মোচন কৰা হ'ব।

ইপিনে, ক্ৰীড়াবিদগৰাকীৰ জন্মদিন উপলক্ষে আজি ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে গুৱাহাটীত কেন্দ্ৰীয়ভাৱে অভিৰুচি ক্ৰীড়া দিৱস উদযাপন কৰা হৈছে।

এই অনুসৰি দিৱসৰ মূল কাৰ্যসূচী – সামুহিক দৌৰ এইবাৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত আৰম্ভ হৈ ভেটাপাৰা হকী ষ্টেডিয়াম পৰিভ্ৰমণ কৰি পুনৰ সৰুসজাইৰ মূল এথলেটিক ষ্টেডিয়ামত সামৰণি পৰিছে।

০০০০০০

কৃষি মন্ত্ৰী অতুল বৰাই কালি ডিব্ৰুগড় জিলাৰ কৃষি আৰু আবকাৰী বিভাগৰ বিষয়াৰ সৈতে আলোচনাত মিলিত হয়। আলোচনাকালত মন্ত্ৰীগৰাকীয়ে এই বিভাগ দুটাৰ কাম-কাজৰ অগ্ৰগতিৰ বিষয়ে বুজ লোৱাৰ লগতে কামৰ খতিয়ান লয়।

০০০০০০০

শোণিতপুৰ জিলা প্ৰশাসনৰ উদ্যোগত আৰু জ্যোতি ভাৰতীৰ সহযোগত কালিৰে পৰা ৰূপকোঁৱৰৰ মঞ্চত জিলাখনৰ ৩০ গৰাকী কণ্ঠশিল্পীৰ অংশগ্ৰহণেৰে সমবেত সংগীতৰ আখৰা অনুষ্ঠিত হয়। অহা ১৩ ছেপ্তেম্বৰত গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া ড০ ভূপেন হাজৰিকাৰ শতবাৰ্ষিকী উদযাপনৰ অনুষ্ঠানত এই শিল্পীসকলে অংশগ্ৰহণ কৰিব। আখৰাস্থলীত তেজপুৰ বিধানসভা সমষ্টিৰ বিধায়ক পৃথ্বীৰাজ ৰাভাই উপস্থিত থাকি শিল্পীসকলক শব্দৰ সঠিক উচ্চাৰণ আৰু গীত পৰিৱেশনত গুৰুত্ব আৰোপ কৰিবলৈ উৎসাহিত কৰে।

০০০০০০০

ডিব্ৰুগড় জিলাত পথ দুৰ্ঘটনা হ্ৰাস কৰাৰ উদ্দেশ্যে ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ বাবে কালি বৰবৰুৱাত এটা পথ সুৰক্ষা সজাগতা সভা অনুষ্ঠিত হয়। ডিব্ৰুগড় জিলা পথ সুৰক্ষা সমিতি, বৰবৰুৱা আৰক্ষী থানা পৰ্যায়ৰ নাগৰিক সমিতিৰ যৌথ উদ্যোগত আয়োজিত এই সভাত গাঁওৰক্ষী বাহিনীৰ সদস্য, ৱাৰ্ড মেম্বাৰ, শিক্ষাৰ্থীসকলৰ লগতে ভালেসংখ্যক স্থানীয় লোক উপস্থিত থাকে।

০০০০০০০

যোৰহাট জিলাৰ ভিন্ন স্থানত কালি নিশা যোৰহাট পৰিবহণ, আবকাৰী আৰু আৰক্ষী বিভাগৰ দ্বাৰা যুটীয়া প্ৰচেষ্টাৰে তালাচী অভিযান চলোৱা হয়। এই অভিযানত সুৰাপান কৰি গাড়ী চলোৱা ৪ গৰাকী লোকৰ বিৰুদ্ধে আৰু ৰাজহুৱা স্থানত সুৰাপান কৰা তিনিটা ঘটনা ধৰা পৰে। চৰকাৰী নিৰ্দেশনা ভংগ কৰা লোকৰ বিৰুদ্ধে আইন অনুসৰি বিভাগৰ তৰফৰ পৰা বিহিত ব্যৱস্থা গ্ৰহণ কৰা হয়।

০০০০০০০

সুধাকণ্ঠ ভূপেন হাজৰিকাৰ জন্মশতবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা ৬ ছেপ্তেম্বৰ শনিবাৰে নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত গীতিকাৰ, সাহিত্যিক, সাংবাদিক আৰু চিত্ৰকৰ হিচাপে ড০ ভূপেন হাজৰিকাৰ মূল্যায়ন কৰাৰ প্ৰয়াস কৰা হ'ব। বিশিষ্ট গীতিকাৰ ড০ দিনেশ বৈশ্য, বিশিষ্ট নিৱন্ধকাৰ ড০ পৰমানন্দ মজুমদাৰ আৰু বিশিষ্ট সাংবাদিক মণি মহন্তই ভাগ ল'বলগীয়া এই আলোচনাৰ অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণিত কালি নিশা সংঘটিত এটা দুৰ্ঘটনাত দুজন যুৱক গুৰুতৰভাৱে আহত হয়। দুৰ্ঘটনাত আহত ৰূপম ক্ৰ' আৰু চিংলং ৰংহাঙক সংকটজনক অৱস্থাত খেৰণি চিকিৎসালয়লৈ নিয়া হয় যদিও উন্নত চিকিৎসাৰ বাবে দুয়ো যুৱকক ডিফু চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়।

০০০০০০

সমাপ্ত